**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 25-12-2025
**Time:** 19-10 Hrs

## *Assamese Evening Bulletin*
## *Headlines*

::::::::::::::::::::::::::::::::::::::::::::

১। কেন্দ্ৰীয় চৰকাৰে বিগত ১১ বছৰত সমাজৰ সকলো শ্ৰেণীৰ নাগৰিকৰ উন্নয়নৰ বাবে কঠোৰভাৱে পৰিশ্ৰম কৰি আহিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত আয়োজিত এটা অনুষ্ঠানত সংবিধানৰ চাওতালি ভাষাৰ সংস্কৰণ উন্মোচন কৰে।

৩। মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে সুশাসন অমূলক ধাৰণা নহয় বৰং স্বচ্ছতা, উত্তৰদায়িত্ব আৰু নাগৰিক কেন্দ্ৰিক বিতৰণ প্ৰক্ৰিয়াৰ মাজত নিহিত হৈ থকা দৈনিক প্ৰশাসনিক দায়িত্ব বুলি কেন্দ্ৰীয় মন্তব্য কৰিছে।

৪। প্ৰভু যীশুৰ জন্মদিন উপলক্ষে সমগ্ৰ বিশ্বতে আজি ধৰ্মীয় ৰীতি-নীতি আৰু আনন্দ-উৎসাহেৰে বৰদিন পালন কৰা হৈছে।

*আৰু*

৫। অসমৰ ছোৱালী দলে অস্মিতা পূব মণ্ডল জুনিয়ৰ হকী লীগ প্ৰতিযোগিতাত ব্ৰঞ্জৰ পদক অৰ্জন কৰিছে।

০০০০

কেন্দ্ৰীয় চৰকাৰে বিগত ১১ বছৰত সমাজৰ সকলো শ্ৰেণীৰ নাগৰিকৰ উন্নয়নৰ বাবে আৰু তেওঁলোকক প্ৰকৃত শাসন তথা ধৰ্মনিৰপেক্ষতাৰ নীতি অনুযায়ী কোনো ধৰণৰ বৈষম্য অবিহনে বিভিন্ন আঁচনিৰ লাভ প্ৰদানৰ বাবে কঠোৰ পৰিশ্ৰম কৰি আহিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। প্ৰাক্তন প্ৰধানমন্ত্ৰী ভাৰত ৰত্নৰে বিভূষিত অটল বিহাৰী বাজপেয়ীৰ ১০১ সংখ্যক জন্ম বাৰ্ষিকী উপলক্ষে আজি উত্তৰ প্ৰদেশৰ লক্ষ্ণৌত ৰাষ্ট্ৰ প্ৰেৰণা স্থল উদ্বোধন কৰি প্ৰধানমন্ত্ৰীয়ে এইদৰে মন্তব্য কৰে। তেওঁ কয়, যে চৰকাৰী আঁচনিসমূহৰ প্ৰসাৰেই বৰ্তমান চৰকাৰৰ মন্ত্ৰ আৰু সম্প্ৰতি কোটি কোটি লোকে এনে আঁচনিৰ উপকাৰ লাভ কৰিছে। জন্ম বাৰ্ষিকী উপলক্ষে অটল বিহাৰী বাজপেয়ীৰ কথা স্মৰণ কৰি শ্ৰী মোদীয়ে কয়, যে প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীয়ে লোৱা পদক্ষেপসমূহে দেশৰ উন্নয়ন প্ৰেক্ষাপট সলনি কৰিছে। তেওঁ এই সন্দৰ্ভত প্ৰধানমন্ত্ৰী গ্ৰাম্য চড়ক যোজনাৰ বিষয়ে উল্লেখ কৰে আৰু বিগত ১১ বছৰত আঁচনিখনৰ অধীনত চাৰিলাখ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথ নিৰ্মাণ কৰা বুলি জানিবলৈ দিয়ে।

তেওঁ ৰাষ্ট্ৰীয় নায়কসকলক যথোচিত সন্মান নিদিয়াৰ বাবে আৰু সকলো অনুষ্ঠান-প্ৰতিষ্ঠান দলীয় নেতাৰ নামেৰে নামকৰণ কৰাৰ বাবে কংগ্ৰেছ দলক তীব্ৰ সমালোচনা কৰে। উত্তৰ প্ৰদেশৰ ভাবমূৰ্তি সলনি হোৱা বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে সম্প্ৰতি ৰাজ্যখন উন্নয়নৰ আন এটা নাম হৈ পৰিছে। অনুষ্ঠানত প্ৰতিৰক্ষামন্ত্ৰী ৰাজনাথ সিং, উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথ আৰু ৰাজ্যিক মন্ত্ৰীসভাৰ কেইবাগৰাকীও মন্ত্ৰী উপস্থিত

থাকে। প্ৰতিৰক্ষা মন্ত্ৰী তথা লক্ষ্ণৌৰ স্থানীয় সাংসদ ৰাজনাথ সিঙে তেওঁৰ ভাষণত কয়, যে অটল বিহাৰী বাজপেয়ীয়ে সংস্কৃতি, সমাজ আৰু ৰাজনীতিৰ ক্ষেত্ৰলৈ অপাৰ অৱদান আগবঢ়াই থৈ গৈছে।

আমাৰ লক্ষ্ণৌৰ সংবদদাতাই জনাইছে যে, ঐতিহাসিক ৰাষ্ট্ৰীয় স্মাৰক আৰু ৰাষ্ট্ৰীয় গুৰুত্বৰ প্ৰেৰণাদায়ক চৌহদ হিচাপে প্ৰায় ২৩০ কোটি টকা ব্যয়ৰে ৬৫ একৰ ভূমিত ৰাষ্ট্ৰ প্ৰেৰণাস্থল নিৰ্মাণ কৰি উলিওৱা হৈছে। ইয়াত প্ৰয়াত বাজপেয়ীৰ লগতে ডং শ্যামাপ্ৰসাদ মুখাজী আৰু পণ্ডিত দীনদয়াল উপাধ্যায়ৰ ৬৫ ফুট উচ্চতাৰ একোটাকৈ ব্ৰঞ্জৰ মূৰ্তি থাকিব। এই মূৰ্তিকেইটাৰ জৰিয়তে ভাৰতৰ ৰাজনৈতিক চিন্তা, ৰাষ্ট্ৰ নিৰ্মাণ আৰু জনসাধাৰণৰ জীৱনলৈ তেওঁলোকে আগবঢ়োৱা অনবদ্য অৱদানসমূহক সোঁৱৰণ কৰা হ'ব। ৰাষ্ট্ৰ প্ৰেৰণাস্থলৰ ভিতৰত ৯৮ হাজাৰ বৰ্গফুট এলেকা সামৰি পদুম ফুলৰ আৰ্হিত এটা অত্যাধুনিক সংগ্ৰহালয়ো নিৰ্মাণ কৰি উলিওৱা হৈছে।

০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত আয়োজিত এটা অনুষ্ঠানত সংবিধানৰ চাওতালি ভাষাৰ সংস্কৰণ উন্মোচন কৰে। এই উপলক্ষে ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে সংবিধান চাওতালি ভাষাতো উপলব্ধ হোৱাটো চাওতাল সম্প্ৰদায়ৰ লোকৰ বাবে সঁচাকৈ গৌৰৱৰ বিষয়। তেওঁ কয়, যে ইয়াৰ ফলত চাওতাল সম্প্ৰদায়ৰ লোক সকলে নিজৰ ভাষাত সংবিধান পঢ়িব পাৰিব। অনুষ্ঠানত আইন আৰু ন্যায় মন্ত্ৰী অৰ্জন ৰাম মেঘৱাল উপস্থিত থাকে।

০০০০

সুশাসন অমূলক অৱধাৰণা নহয় বৰং স্বচ্ছতা, উত্তৰদায়িত্ব আৰু নাগৰিক কেন্দ্ৰিক বিতৰণ প্ৰক্ৰিয়াৰ মাজত নিহিত হৈ থকা দৈনিক প্ৰশাসনিক দায়িত্ব বুলি কৰ্মচাৰী, ৰাজহুৱা ওজৰ আপত্তি নিষ্পত্তি আৰু পেন্সন দপ্তৰৰ ৰাজ্যমন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে মন্তব্য কৰিছে। সুশাসন দিৱস উপলক্ষে আজি নতুন দিল্লীত আয়োজিত সুশান কাৰ্যপ্ৰণালী বিষয়ত ৰাষ্ট্ৰীয় কৰ্মশালাত ভাষণ দি মন্ত্ৰীগৰাকীয়ে এইদৰে মন্তব্য কৰে। ড০ সিঙে কয়, যে বিভিন্ন মন্ত্ৰ্যালয় আৰু বিভাগৰ সমন্বিত প্ৰচেষ্টাৰ বাবেই প্ৰশাসনিক দক্ষতা বৃদ্ধি পাইছে আৰু সামাজিক কল্যাণ সম্পৰ্কীয় সু-ফল লাভৰ প্ৰক্ৰিয়া ত্বৰান্বিত হৈছে। অনুষ্ঠাত মন্ত্ৰীগৰাকীয়ে প্ৰাক্তন সৈনিকৰ বাবে সংৰক্ষণ সম্পৰ্কীয় নীতি-নিৰ্দেশনাৰ সংগ্ৰহ, কৃত্ৰিম বুদ্ধিমত্তা পৰিচালিত নিয়োগ নিয়ম সৃজন আহিলা আৰু কৰ্মযোগী ডিজিটেল শিকন পৰীক্ষাগাৰৰ দ্বিতীয় সংস্কৰণকে ধৰি পাঁচটা গুৰুত্বপূৰ্ণ উদ্যম মুকলি কৰে। শাসন প্ৰক্ৰিয়া শক্তশালী কৰা আৰু দ্ৰুত পৰিৱৰ্তনশীল প্ৰশাসনিক প্ৰেক্ষাপটৰ প্ৰত্যাহ্বানৰ সন্মুখীন হোৱা বাবে অসামৰিক সেৱাৰ বিষয়াসকলক সাজু কৰি তোলাই এই উদ্যমসমূহৰ মূল উদ্দেশ্য বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

০০০০

প্ৰভু যীশুৰ জন্মদিন উপলক্ষে সমগ্ৰ বিশ্বতে আজি ধৰ্মীয় ৰীতি-নীতি আৰু আনন্দ-উৎসাহেৰে বৰদিন পালন কৰা হৈছে। বৰদিন উপলক্ষে বিশ্বৰ বিভিন্ন প্ৰান্তৰ খ্ৰীষ্টান ধৰ্মাৱলম্বী লোকসকলে মাজনিশাৰে পৰা সমূহীয়া প্ৰাৰ্থনাত অংশগ্ৰহণ কৰিছে। গীৰ্জাসমূহৰ লগতে খ্ৰীষ্টান ধৰ্মাৱলম্বী লোকসকলৰ বাসগৃহসমূহো বিভিন্ন আলোকসজ্জা, খ্ৰীষ্টমাছ ট্ৰী, ৰং-বিৰঙী ফুল, তৰা আদিৰে আটকধুনীয়াকৈ সজাই তোলা হৈছে।

ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীয়ে বৰদিন উপলক্ষে জনসাধাৰণক ওলগ জনাইছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কয়, যে এই উৎসৱে আমাক যীশুখ্ৰীষ্টই মানৱ জাতিৰ কল্যাণৰ বাবে কৰা ত্যাগৰ কথা সোঁৱৰাই দিয়ে। তেওঁ কয়, যে বৰদিনে জনসাধাৰণক শান্তি-সম্প্ৰীতি, সমতা আৰু

সমাজৰ প্ৰতি সেৱাৰ প্ৰমূল্যৰাজি সুদৃঢ় কৰিবলৈ অনুপ্ৰাণিত কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে যীশুখ্ৰীষ্টই দেখুৱাই থৈ যোৱা পথ অনুসৰণ কৰি দয়া, কৰুণা আৰু পাৰস্পৰিক সম্প্ৰীতিৰে ভৰা এখন সমাজ গঢ়াৰ বাবে কাম কৰাৰ সংকল্প ল'বলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়।

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে বৰদিন উপলক্ষে দিয়া এটা বাৰ্তাত কয়, যে যীশুখ্ৰীষ্টৰ শিকনিৰাজিয়ে সামাজিক বান্ধোন সুদৃঢ় কৰে আৰু সমাজত স্থায়ী শান্তি প্ৰসাৰত সহায় কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বৰদিন উপলক্ষে নতুন দিল্লীত কেথেড্ৰেল চাৰ্চত বিশেষ প্ৰাৰ্থনাসভাত অংশগ্ৰহণ কৰে। শ্ৰী মোদীয়ে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কয়, যে বৰদিনে সমাজক দয়া, কৰুণা আৰু সদিচ্ছাৰ ভাব জগাই তোলে।

০০০০

ৰাষ্ট্ৰীয় সেউজন ন্যায়াধীকৰণে দিল্লীৰ একাংশ কাপোৰত ৰং দিয়া গোটে অবৈধভাৱে গভীৰ নলী-নাদ ব্যৱহাৰ কৰা সন্দৰ্ভত দুমাহৰ ভিতৰত চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰিবলৈ কৰ্তৃপক্ষক নিৰ্দেশ দিছে। নৰেলা, বাৱনা, মায়াপুৰী আৰু ল'ৰেন্স ৰোডত অৱস্থিত কেইবাটাও ৰং দিয়া গোটে বাধ্যতামূলক অনুমতি অবিহনে কামকাজ চলাই থকা বুলি দাখিল কৰা অভিযোগৰ শুনানি গ্ৰহণ কৰি সেউজ ন্যায়াধীকৰণে এইদৰে ৰায় দয়ে। ৰং দিয়া গোটসমূহে আগতীয়া সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ নকৰাকৈ বিষাক্ত পদাৰ্শ নলা-নৰ্দমা আৰু মুকলি পথাৰত পেলোৱা আৰু ইয়াৰ ফলত ভূগৰ্ভৰ পানী প্ৰদূষিত তথা স্বাস্থ্য সম্পৰ্কীয় সমস্যা সৃষ্টি হোৱা বুলিও অভিযোগ উত্থাপিত হৈছে।

০০০০

নাইজেৰিয়াৰ উত্তৰ-পূব প্ৰান্তৰ মাইডুগুৰীৰ এটা মছজিদত কালি নামাজৰ সময়ত হোৱা বিস্ফোৰণত পাঁচজন লোকে প্ৰাণ হেৰুৱায় আৰু ৩৫ জন আহত হয়। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা মতে এতিয়ালৈকে কোনো সন্ত্ৰাসবাদী সংগঠনে এই বিস্ফোৰণৰ দায়িত্ব স্বীকাৰ কৰা নাই যদিও আত্মঘাটি বোমাৰুৰ ব্যৱহাৰলৈ চাই ব'কো হাৰাম নামৰ সন্ত্ৰাসবাদী সংগঠনে এই আক্ৰমণ সংঘটিত কৰা বুলি সন্দেহ কৰা হৈছে।

০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কাইলৈ নতুন দিল্লীত সন্ত্ৰাসবাদ প্ৰতিৰোধী সন্মিলন মুকলি কৰিব। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে এই সন্মিলনত ৰাষ্ট্ৰীয় সুৰক্ষা সম্পৰ্কীয় বিষয় লৈ আলোচনা কৰা হ'ব। সন্মিলনত সন্ত্ৰাসবাদৰ বিভীষিকাৰ বিৰুদ্ধে সমন্বিত ব্যৱস্থা গ্ৰহণৰ বাবে আনুষ্ঠানিক আৰু অনানুষ্ঠানিক মাধ্যম স্থাপন কৰি বিভিন্ন পক্ষৰ মাজত সমন্বয় গঢ়ি তোলাত বিশেষ গুৰুত্ব আৰোপ কৰা হ'ব।

০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কয়, যে ওড়িশা এতিয়া নক্সালবাদৰ কবলৰ পৰা সম্পূৰ্ণৰূপে মুক্ত হোৱাৰ পথত অগ্ৰসৰ হৈছে। নক্সাল মুক্ত ভাৰত গঢ়াৰ দিশত লাভ কৰা এক উল্লেখযোগ্য মাইলৰ খুঁটিৰ ওপৰত আলোকপাত কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে ওড়িশাৰ কাণ্ডামালত সংঘটিত এটা ডাঙৰ অভিযানে কেন্দ্ৰীয় সমিতিৰ সদস্য গণেশ উইকেসহ ছজন নক্সালবাদীক নিধন কৰিছে। লগতে তেওঁ জনায় যে, ২০২৬ৰ ৩১ মাৰ্চৰ আগতেই নক্সালবাদ নিৰ্মূল কৰাৰ বাবে চৰকাৰে সংকল্প গ্ৰহণ কৰিছে।

০০০০

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনে আজি তামিলনাডুৰ কুডালোৰত সংঘটিত এক মৰ্মান্তিক পথ দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা লোকসকলৰ প্ৰতি গভীৰ শোক প্ৰকাশ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তা যোগে উপৰাষ্ট্ৰপতিগৰাকীয়ে ক্ষতিগ্ৰস্ত পৰিয়ালসমূহলৈ সমাবেদনা জনায়। লগতে দুৰ্ঘটনাত আপোনজনক হেৰুওৱাসকলে সাহস আৰু শক্তি লাভ কৰাৰ লগতে আহতসকলৰ দ্ৰুত আৰোগ্য কামনাৰ বাবে প্ৰাৰ্থনা জনায়।

০০০০

অসমৰ ছোৱালী দলে অস্মিতা পূব মণ্ডল জুনিয়ৰ হকী লীগ প্ৰতিযোগিতাত ব্ৰঞ্জৰ পদক অৰ্জন কৰিছে। অসমে আজি গুৱাহাটীৰ ভেটাপাৰাস্থিত মৌলানা মহম্মদ তৈয়বুল্লাহ হকী ষ্টেডিয়ামত অনুষ্ঠিত তৃতীয় স্থান নিৰ্ধাৰণকাৰী খেলত ত্ৰিপুৰাক ১৬-০ গ'লত পৰাস্ত কৰে। ওড়িশাই মিজোৰামক ৪-৩ গ'লৰ ব্যৱধানত পৰাস্ত কৰি প্ৰতিযোগিতাত স্বৰ্ণ পদক লাভ কৰে।

০০০০

ঃঃ সমাপ্ত ঃঃ